# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিঃৰ যোৰহাট আঞ্চলিক কেন্দ্ৰৰ আধাৰশিলা



যোৰহাট, ৩ জুলাই ঃ কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আজি যোৰহাটৰ পুৰণি গায়ন গাঁৱৰ প্ৰস্তাৱিত শেষাংশ ৬ পৃষ্ঠাত

AHATI SATURDAY 4 JULY 2026 দাম ঃ ৭.০০ টকা

# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিঃৰ যোৰহাট আঞ্চলিক কেন্দ্ৰৰ আধাৰশিলা

স্থানত যোৰহাট আঞ্চলিক কেন্দ্ৰ ভৱনৰ সফল আধাৰশিলা স্থাপন অনুষ্ঠানেৰে প্ৰতিষ্ঠানিক যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ মুহূৰ্ত উদ্‌যাপন কৰে। বিশ্ববিদ্যালয়ৰ বিষয়া, ৰাজহুৱা কাম-কাজ বিভাগৰ প্ৰতিনিধি, অধ্যয়ন কেন্দ্ৰৰ বিষয়া, স্থানীয় অঞ্চলৰ বিশিষ্টব্যক্তি আৰু প্ৰতিষ্ঠানটোৰ শুভাকাংক্ষীসকলৰ উপস্থিতিৰ মাজতে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে। উজনি অসমৰ ছখন জিলা যোৰহাট, গোলাঘাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড় আৰু তিনিচুকীয়াক সামৰি কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ শৈক্ষিক আৰু প্ৰশাসনিক প্ৰচাৰৰ ন'ডেল পইণ্ট যোৰহাট আঞ্চলিক কেন্দ্ৰটোৱে ২০১৩ চনৰ ডিচেম্বৰৰ পৰা যোৰহাটৰ তৰাজানত ভাৰাঘৰৰ কেম্পাছৰ জৰিয়তে কাম কৰি আহিছে। নিযুক্ত ঠিকাদাৰে স্থানৰ প্ৰাৰম্ভিক কাম সম্পূৰ্ণ কৰাৰ ফলত এতিয়া সম্পূৰ্ণ নিৰ্মাণ আৰম্ভ হোৱাৰ পথ মুকলি হৈছে। সভাত ভাষণ দি উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে ভৱনটো সময়মতে সমাপ্ত কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ দায়বদ্ধতাক পুনৰ সুঁৱৰি কোনো পলম নকৰাকৈ নিৰ্মাণৰ কাম আগবাঢ়ি যাব বুলি আশ্বাস দিয়ে। তেওঁ যোৰহাট আঞ্চলিক কেন্দ্ৰক শিক্ষাৰ্থীসকলৰ বাবে এটা স্থায়ী, উদ্দেশ্যপ্ৰণোদিত সুবিধাৰ স্থলৰূপে আলোকপাত কৰে আৰু বিশ্ববিদ্যালয়ৰ প্ৰসাৰে যাতে সমগ্ৰ অঞ্চলতে শিক্ষাৰ্থী সহায়ক সেৱাৰ মান শক্তিশালী কৰাত সহায় কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যোৰহাটৰ ৰাজহুৱা কাম-কাজ বিভাগৰ কাৰ্যবাহী অভিযন্তা প্ৰাঞ্জল পূজাৰীয়েও ভাষণত আশ্বাস দিয়ে যে পিডব্লিউডিয়ে শিক্ষাৰ কাৰণে চৰকাৰ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ মাজত থকা সহযোগিতামূলক মনোভাবক প্ৰতিফলিত কৰি প্ৰয়োজন অনুসৰি আৰু প্ৰয়োজন সাপেক্ষে বিশ্ববিদ্যালয়খনলৈ প্ৰয়োজনীয় সকলো কাৰিকৰী সহায় অৰ্থাৎ ডিজাইন আৰু গুণগত নিশ্চয়তা সম্পৰ্কীয় নিৰ্দেশনাকে ধৰি সকলো সুবিধা প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে যোৰহাটৰ পুৰণি গায়ন গাঁৱত ১ বিঘা, ১ কঠা আৰু ১৩ লেছা জোখৰ স্থানত নিৰ্মাণ হ'বলগীয়া প্ৰস্তাৱিত আঞ্চলিক কেন্দ্ৰ ভৱনটোৰ নিৰ্মাণ ক্ষেত্ৰ প্ৰায় ৬,০০০ বৰ্গফুটৰ পৰিকল্পনা কৰা হৈছে। এই আঞ্চলিক কেন্দ্ৰত শিক্ষাৰ্থীসকলৰ সকলো সুবিধা, পৰামৰ্শ, পৰীক্ষা, নামভৰ্তি, শৈক্ষিক কাৰ্যকলাপ আৰু প্ৰশাসনিক কাম-কাজৰ বাবে স্থানকে ধৰি সম্পূৰ্ণৰূপে কাৰ্যক্ষম আঞ্চলিক কেন্দ্ৰৰ সকলো আন্তঃগাঁথনি আৰু সুবিধা থাকিব। বৰ্তমান যোৰহাট আঞ্চলিক কেন্দ্ৰই উজনি অসমৰ ছয়খন জিলাত বিস্তৃত ৭৬টা শিক্ষাৰ্থী সহায়ক কেন্দ্ৰ (এল এছচি)ৰ নেটৱৰ্ক পৰিচালিত কৰাৰ লগতে মুক্ত বিশ্ববিদ্যালয়ৰ বিভিন্ন কাৰ্যসূচীত নামভৰ্তি কৰা ১০,০০০ ৰো অধিক সক্ৰিয় শিক্ষাৰ্থীৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰে। নতুন ভৱনটোৱে কেন্দ্ৰৰ সহায়ক সেৱা প্ৰদানৰ ক্ষমতা যথেষ্ট বৃদ্ধি কৰিব আৰু বিশ্ববিদ্যালয় আৰু ইয়াৰ শিক্ষাৰ্থীসকলৰ মাজত ফ্ৰণ্ট লাইন আন্তঃপৃষ্ঠ হিচাপে নিজৰ দায়িত্ব পালন কৰিব বুলি আশা কৰা হৈছে। এই কাৰ্যসূচীত বিশ্ববিদ্যালয়খনৰ ড° বিদীপ দেৱ চৌধুৰী, ডীন, ষ্টাডি চেণ্টাৰ (i/c), KKHSOU , ডাঃ ৰাতুল কুমাৰ পাটোৱাৰী, উপ-পঞ্জীয়ক (প্ৰশাসন), KKHSOU; বিৰিঞ্চি বৰা, সহকাৰী পঞ্জীয়ক, অধ্যয়ন কেন্দ্ৰ, KKHSOU আৰু যোৰহাট আঞ্চলিক কেন্দ্ৰ, KKHSOU-ৰ সহকাৰী সঞ্চালক ড° সঞ্জীৱ ঘিমিৰেৰ লগতে বিশ্ববিদ্যালয়ৰ অন্যান্য বিষয়ববীয়া আৰু আমন্ত্ৰিত অতিথিসকলে যোৰহাট আঞ্চলিক কেন্দ্ৰৰ সামগ্ৰিক সমন্বয়ত আয়োজন কৰা এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# KKHSOU lays foundation stone for Jorhat Regional Centre

**HT Correspondent**

**JORHAT, July 3:** Krishna Kanta Handiqui State Open University (KKHSOU) on Friday laid the foundation stone for its permanent Jorhat Regional Centre building at Purani Gayan Gaon, marking a significant step in strengthening the university's academic and administrative presence in Upper Assam.

The foundation stone was laid by KKHSOU Vice-Chancellor Prof Rajendra Prasad Das in the presence of university officials, representatives of the Public Works Department (PWD), study centre officials, local dignitaries and well-wishers. The Jorhat Regional Centre, which has been functioning from a rented premises at Tarajan since December 2013, serves as the university's nodal centre for six Upper Assam districts—Jorhat, Golaghat, Sivasagar, Charaideo, Dibrugarh and Tinsukia.

Construction of the permanent facility will begin following the completion of preliminary site works.

Addressing the gathering, Prof Das reaffirmed the university's commitment to completing the project on time, stating that the permanent campus would significantly strengthen learner support services and expand KKHSOU's outreach across the region.

Executive Engineer of the PWD, Jorhat, Pranjal Pujari, assured the university of all necessary technical assistance, including support in design and quality assurance, during the construction of the project.